2022-2023

*Articles Published in Book*

*1/ Dr. Mamoni Mahanta*




PRINCIPAL, i/c
Marangi Mahavidyalaya

**NARIKATHA:** A collection of articles on women issues edited by Mrs. Dipty Tamuly, Assistant Professor, Department of Economics, Marangi Mahavidyalaya, published by Jonak Printers Merapani, Golaghat, Assam on behalf of Econmic Forum, Department of Economics, Marangi Mahavidyalaya.

*First Edition : September, 2022* *Price: One Hundred Fifty Only*

প্ৰকাশকঃ
ইক'নমিক ফ'ৰাম, অৰ্থনীতি বিভাগ, মৰঙি মহাবিদ্যালয়ৰ হৈ
জোনাক প্ৰিন্টাৰ্চ
মেৰাপানী, গোলাঘাট, অসম
দূৰভাষঃ ৯১০১৮৪৪১৭০

গ্ৰন্থস্বত্বঃ দীপ্তি তামুলী

প্ৰথম সংস্কৰণঃ চেপ্তেম্বৰ,২০২২

মূল্যঃ ১৫০.০০ টকা

ISBN: 978-81-956289-6-4

প্ৰচ্ছদ ঃ মনজিৎ ৰাজখোৱা

মুদ্ৰক ঃ কাজিৰঙা প্ৰিন্টিং হাউচ, চানমাৰি, গুৱাহাটী-২১

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

মহিলাৰ প্ৰতি সংবেদনশীলতাঃ এক প্ৰয়োজনীয় সামাজিক আচৰণ
ঃ ড° গায়ত্ৰী বৰা কাকতি/৭৩

মহিলা সবলীকৰণ আৰু শান্তি সাধনা আশ্ৰম
ঃ ড° তাছৰিনা হুছেইন/৭৮

বিশ্বায়ন বনাম নাৰীঃ এক সমাজতাত্বিক বিশ্লেষণ
ঃ পল্লৱী শইকীয়া/৮২

বিষ্ণু প্ৰসাদ ৰাভাৰ গীতত নাৰী
ঃ ড° মৰমী চৌধুৰী/ ৮৯

হস্ততাঁত বস্ত্ৰৰ অনলাইন ব্যৱসায় আৰু অসমীয়া নাৰীৰ স্ব-নিয়োজন
ঃ মনিকংকণা বড়ো/৯৬

অসমীয়া নাৰী সমাজত ভাৰতীয় সংস্কাৰ আন্দোলনৰ প্ৰভাৱ
ঃ ড° মামণি মহন্ত /১০৩

কৰ্মক্ষেত্ৰত মহিলাসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ
ঃ ড° দেইজী ৰাণী চুতীয়া/১০৯

নাৰী সবলীকৰণত শিক্ষাৰ ভূমিকা
ঃ মনালিছা তামুলী/১১৫

এছিয়া মহাদেশৰ প্ৰথম ছহিদ বীৰাঙ্গনা সতী সাধনী
ঃ গীতাঞ্জলী ভৰালী/১১৯


Scanned by TapScanner


M.Mahant
PRINCIPAL, i/c
Marangi Mahavidyalaya

# অসমীয়া নাৰী সমাজত
# ভাৰতীয় সংস্কাৰ আন্দোলনৰ প্ৰভাৱ

ড° মামণি মহন্ত

ভাৰতীয় সমাজ ব্যৱস্থাক পুনৰ নিৰ্মাণ কৰিবৰ বাবে ঊনবিংশ শতিকাত যি সংস্কাৰ আন্দোলনৰ জোৱাৰ উঠিছিল তাৰ ফলত ভাৰতীয় সমাজত ব্যাপক সংস্কাৰৰ সূচনা হৈছিল। সেই সংস্কাৰ আন্দোলনে শতিকাজুৰি ভাৰতীয় সমাজক প্ৰভাৱান্বিত কৰিবলৈ সক্ষম হৈছিল। দেশৰ চুকে-কোণে সামাজিক, ধৰ্মীয় সকলো ক্ষেত্ৰতে পৰিৱৰ্তনৰ ঢৌ বিয়পি পৰিছিল। সেয়েহে এই আন্দোলনক কেৱল সামাজিক আন্দোলন বুলি নকৈ ধৰ্মীয় আৰু সামাজিক সংস্কাৰ আন্দোলন বুলি কোৱা হয়। বৃটিছ শাসন শোষণে এই সংস্কাৰ আন্দোলনক জাগ্ৰত কৰিছিল। ভাৰতবাসীৰ অন্তৰত এক নতুন চেতনা জাগ্ৰত কৰিছিল আৰু ভাৰতীয় সকল ঐক্যবদ্ধ হৈ পৰিছিল। এই সংস্কাৰ আন্দালনৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি ভাৰতীয় সমাজ ব্যৱস্থাত চলি থকা কিছু কথা আলোচনা কৰাটো উচিত হ'ব।

অষ্টাদশ শতিকাৰ মাজভাগত ভাৰতবৰ্ষৰ সভ্যতা সংস্কৃতি ম্ৰিয়মান হৈ পৰিছিল। এই সময়চোৱাত মধ্যযুগীয় ইউৰোপৰ দৰেই ভাৰতীয় সভ্যতা-সংস্কৃতি অন্ধকাৰাচ্ছন্ন হৈ পৰিছিল। এফালে মোগল সম্ৰাজ্যৰ পতনৰ পাছত ৰাজনৈতিক অৰাজকতা আনফালে বিদেশী শক্তিৰ আগ্ৰাসন; এনে পৰিস্থিতিত ৰাজনীতি, অৰ্থনীতি, সাহিত্য, সংস্কৃতি আদি সকলোতে আত্মবিস্মৃতিৰ সূচনা হৈছিল। ইংৰাজসকলে ভাৰতত ৰাজনৈতিক প্ৰাধান্য স্থাপন কৰাৰ সময়ত ভাৰতীয় সমাজ আছিল ৰক্ষণশীল। নানা ধৰণৰ অন্ধবিশ্বাস, কুসংস্কাৰ আদিয়ে ভাৰতীয় সমাজ ব্যৱস্থাক কলুষিত কৰি তুলিছিল। বহু-বিবাহ, বাল্যবিবাহ, সতীদাহ, নৰবলি, কন্যাশিশু হত্যা আদিৰ নিচিনা অমানৱীয় আৰু ঘৃণনীয় প্ৰথাৰ প্ৰচলন আছিল।



Scanned by TapScanner

MMahant
PRINCIPAL, i/c
Marangi Mahavidyalaya